No. of Printed Pages—7

846 (HTM5A/HTP5A)

[20-HRGPNW–D5S(N)21A]

BA 5th Semester (New) Exam., 2020 (W)

HISTORY

[GHT S5–01 (M/P)]

(History of Assam up to the 16th Century AD)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* Answer the following questions in *one* word or in *one* sentence each : 1×8=8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ প্ৰতিটো *এটা* শব্দ বা *এটা* বাক্যত লিখক :

(i) Name the Purana which was composed in Assam.

অসমত ৰচনা কৰা পুৰাণখনৰ নাম লিখক।

(ii) Who authored *Si-Yu-Ki*?

'চি-ইউ-কী'ৰ লেখক কোন ?

(iii) Who established the Varman Dynasty?

বৰ্মণ বংশৰ প্ৰতিষ্ঠাতা কোন আছিল ?

(iv) Which place of Assam has been identified with Haruppeswara?

অসমৰ কোনখন ঠাইক হৰুপেশ্বৰ বুলি চিহ্নিত কৰা হৈছে ?

(v) Who was the last ruler of the Salastambha Dynasty?

শালস্তম্ভ বংশৰ অন্তিমজন শাসক কোন আছিল ?

(vi) Kesaikhaiti refers to which cult of religious worship?

কেচাইখাইতীয়ে কোনটো ধৰ্মীয় উপাসনা পন্থাৰ উল্লেখ কৰে ?

(vii) What is Buranji?

বুৰঞ্জী বুলিলে কি বুজে ?

(viii) Name the Ahom King who created the offices of Barbarua and Barphukan.

বৰবৰুৱা আৰু বৰফুকনৰ পদকেইটা সৃষ্টি কৰা আহোম ৰজাজনৰ নাম লিখক।

(b) Choose the correct answer : 1×4=4

শুদ্ধ উত্তৰটো বাছি উলিয়াওক :

(i) Banikanta Kakati / Rajanikanta Bardoloi / Hem Baruah is the author of the book, *The Mother Goddess Kamakhya*.

'দা মাদাৰ গডেছ কামাখ্যা' গ্ৰন্থখনৰ লেখক হ'ল বাণীকান্ত কাকতি / ৰজনীকান্ত বৰদলৈ / হেম বৰুৱা।

(ii) Alpines entered India through northeastern / northwestern / south-eastern route.

আলপাইনসকল ভাৰতলৈ উত্তৰ-পূব / উত্তৰ-পশ্চিম / দক্ষিণ-পূব পথেৰে আহিছিল।

(iii) Vishwa Simha / Nara Narayan / Suklenmung established Koch Kingdom.

বিশ্ব সিংহ / নৰনাৰায়ণ / চুক্লেনমুঙে কোচ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

(iv) The Tezpur Grant was issued by Dharmapala / Vanamala Varman / Vaidyadeva.

তেজপুৰ অনুদানলিপি প্ৰকাশ কৰিছিল ধৰ্মপালে / বনমালা বৰ্মনে / বৈদ্যদেৱে।

(c) Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰক :

(i) Bhaskaravarman formed an alliance with _____.

ভাস্কৰবৰ্মনে _____ৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল।

(ii) In the _____ system, the son could claim the property after the death of his father.

_____ প্ৰথাত পুত্ৰই তেওঁৰ পিতৃৰ মৃত্যুৰ পিছত সম্পত্তিৰ অধিকাৰ দাবী কৰিব পাৰে।

(iii) Sukapha was succeeded by _____.

চুকাফাৰ উত্তৰাধিকাৰী আছিল _____।

(iv) Sukladhwaja was also known as _____.

শুক্লধ্বজ _____ নামেৰেও জনাজাত।

2. Answer any *five* from the following questions (each in around *50* words) : 2×5=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো *৫০* শব্দৰ ভিতৰত) :

(a) Write about the importance of coins in studying ancient Assam.

প্ৰাচীন অসমৰ বিষয়ে অধ্যয়ন কৰোঁতে মুদ্ৰাৰ গুৰুত্বৰ বিষয়ে লিখক।

(b) Write a short note on the King Gopala of Pala Dynasty.

পাল বংশৰ ৰজা গোপালৰ বিষয়ে এক চমু টোকা লিখক।

(c) Where did Ratnapala build his capital? Name the three grants issued that described him as Parameshwara-Paramabhattaraka-Maharajadhiraja Ratnapalavarmandeva.

ৰত্নপালে তেওঁৰ ৰাজধানী ক'ত নিৰ্মাণ কৰিছিল? ৰত্নপালক পৰমেশ্বৰ পৰমভট্টাৰক মহাৰাজাধিৰাজ ৰত্নপালবৰ্মনদেৱ বুলি বৰ্ণিত কৰা তিনিখন অনুদানলিপিৰ নাম লিখক।

(d) Differentiate between Deo-Buranji and Din-Buranji.

দেও-বুৰঞ্জী আৰু দিন-বুৰঞ্জীৰ মাজৰ পাৰ্থক্য লিখক।

(e) What were the three basic theories of State formation?

ৰাজ্য গঠনৰ প্ৰধান তত্ত্ব তিনিটা কি কি?

(f) What does Purana speak about the origin of the Koches?

কোঁচসকলৰ উৎস সম্পৰ্কে পুৰাণে কি কয় ?

3. Answer any *six* from the following questions (each in around *120* words) : 4×6=24

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো **ছয়টাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) :

(a) What did Mir Jumla speak about the climate of Assam?

মীৰ জুমলাই অসমৰ জলবায়ু সম্পৰ্কে কি কয়, উল্লেখ কৰক।

(b) Discuss about the various crafts of ancient Assam.

প্ৰাচীন অসমৰ বিভিন্ন শিল্পৰ বিষয়ে আলোচনা কৰক।

(c) Write briefly about the revenue administration of ancient Assam.

প্ৰাচীন অসমৰ ৰাজহ প্ৰশাসনৰ বিষয়ে চমুকৈ লিখক।

(d) Who were the Patra Mantris? What was their role in the State formation of the Ahoms?

পাত্ৰ-মন্ত্ৰীসকল কোন আছিল ? আহোম ৰাজ্য গঠন প্ৰক্ৰিয়াত তেওঁলোকৰ কি ভূমিকা আছিল ?

(e) Write about the nine modes through which Bhakti can be practised.

ভক্তি পালন কৰিব পৰা ন (৯)টা প্ৰক্ৰিয়াৰ বিষয়ে লিখক।

(f) Discuss the temple architecture of the Ahom period.

আহোম যুগৰ মন্দিৰ নিৰ্মাণত ব্যৱহৃত স্থাপত্যকলা সম্পৰ্কে আলোচনা কৰক।

(g) What was the role of the medieval women in the political field?

মধ্যযুগৰ অসমীয়া নাৰীয়ে ৰাজনৈতিক ক্ষেত্ৰখনত কেনে ভূমিকা পালন কৰিছিল ?

4. Answer any *five* from the following questions (each in around *200* words) : 6×5=30

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) :

(a) "Since very ancient times Assam saw the migration of nearly all the principal human races in different waves and periods of history." Discuss.

''বহু প্ৰাচীন সময়ৰে পৰা অসমলৈ সকলোবোৰ মুখ্য মানৱ প্ৰজাতিৰে ইতিহাসৰ বিভিন্ন সময়ত আৰু বিভিন্ন সোঁতত প্ৰব্ৰজন হৈ আহিছে।'' আলোচনা কৰক।

(b) Discuss the historicity of Naraka.

নৰকৰ ঐতিহাসিকতাৰ বিষয়ে আলোচনা কৰক।

(c) Discuss the central and local administration of ancient Assam.

প্ৰাচীন অসমৰ কেন্দ্ৰীয় আৰু স্থানীয় প্ৰশাসনৰ বিষয়ে আলোচনা কৰক।

(d) Discuss the literary sources for reconstructing the history of medieval Assam.

মধ্যযুগৰ অসমৰ ইতিহাস পুনৰ গঠনত সাহিত্যিক সমলসমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

(e) Who were the Bhuyans? What was their system of State formation?

ভূঞাসকল কোন আছিল ? তেওঁলোকৰ ৰাজ্য গঠন প্ৰক্ৰিয়াটো কেনেধৰণৰ আছিল ?

(f) Do you think Nara Narayan was an able administrator as well as a wise king? Discuss.

নৰনাৰায়ণ এজন সফল প্ৰশাসনিক বিষয়া হোৱাৰ লগতে এজন জ্ঞানী ৰজাও আছিল বুলি আপুনি ভাবেনে ? আলোচনা কৰক ।

★ ★ ★